BIKALI COLLEGE LIBRARY

**3 (Sem–2/CBCS) ASM HC 1**

**2022**

# ASSAMESE

Paper : ASM–HC–2016

( ভাষাবিজ্ঞান পৰিচয় )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ যি কোনো দহটা প্ৰশ্নৰ উত্তৰ দিয়া : ১×১০=১০

(ক) Logos শব্দৰ অৰ্থ কি ?

(খ) তলৰ উক্তিটো শুদ্ধ নে অশুদ্ধ লিখা :

"ভাষাবিজ্ঞানত ধ্বনি আৰু বৰ্ণ একে নহয়।"

(গ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ একক কি ?

(ঘ) অসমীয়া ভাষাৰ পৰা অৰ্থ-বিস্তাৰ বা অৰ্থ-সম্প্ৰসাৰণৰ এটা উদাহৰণ দিয়া।

(ঙ) পাণিনিয়ে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি ?

(চ) 'টেকনে্ গ্ৰামাটিকে' নামৰ গ্ৰীক ভাষাৰ ব্যাকৰণখনৰ লেখকজনৰ নাম লিখা।

BIKALI COLLEGE LIBRARY



(ছ) শিশুৰ ভাষা আহৰণ প্ৰক্ৰিয়াৰ বিষয়ে ভাষাবিজ্ঞানৰ কোনটো শাখাত অধ্যয়ন কৰা হয় ?

(জ) কোনবিধ ভাষাবিজ্ঞানে বিদেশী ভাষা শিকাত সহায় কৰাৰ প্ৰয়াস কৰে ?

(ঝ) অসমীয়া ভাষাৰ 'ধ্বনিবিজ্ঞানৰ ভূমিকা' নামৰ গ্ৰন্থখনৰ ৰচক কোন ?

(ঞ) আধুনিক ভাষাবিজ্ঞানৰ প্ৰতিষ্ঠাতা বুলি কাক কোৱা হয় ?

(ট) লিংগ অনুসৰি ভাষাৰ ব্যৱহাৰত বিভিন্নতা দেখা পোৱা যায়নে ?

(ঠ) একেটা ভাষাৰ অঞ্চলভেদে হোৱা বিভিন্নতাবোৰৰ অধ্যয়ন ভাষাবিজ্ঞানৰ কোনটো শাখাৰ অন্তৰ্গত ?

(ড) ভাষাৰ মূল কি ?

(ঢ) শব্দৰ অৰ্থৰ বিষয়ে অধ্যয়ন কৰা অধ্যয়নক কি নামেৰে জনা যায় ?

(ণ) "এটা ভাষাৰ মান্যভাষা মানে সেই ভাষাৰ শ্ৰেষ্ঠ উপভাষা।" উক্তিটো সত্যনে ?

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) Linguistics আৰু Philology শব্দ দুটাৰ অসমীয়া প্ৰতিশব্দ দুটা লিখা।

(খ) তলৰ যি কোনো এটাৰ সংজ্ঞা লিখা :

ব্যক্তিভাষা ; মান্যভাষা।

(গ) দুবিধ বাগিন্দ্ৰিয়ৰ নাম লিখা।

BIKALI COLLEGE LIBRARY



(ঘ) ৰূপ মানে কি ?

(ঙ) *Syntactic Structure* নামৰ গ্ৰন্থখনৰ ৰচক কোন ? এই গ্ৰন্থখন কিমান খ্ৰীষ্টাব্দত প্ৰকাশ হৈছিল ?

(চ) ভাষাৰ বাহিৰে ভাব-বিনিময়ৰ বাবে ব্যৱহাৰ কৰা যি কোনো দুবিধ সংকেতৰ নাম লিখা।

(ছ) মানৱ ভাষা আৰু আন জীৱ-জন্তুৱে ভাব-বিনিময়ৰ বাবে ব্যৱহাৰ কৰা মাত বা ধ্বনিৰ মাজত কিবা প্ৰভেদ আছেনে ? বুজাই লিখা।

(জ) অসমীয়া ভাষাৰ যি কোনো দুটা বৰ্ণৰ উদাহৰণ দিয়া।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ পাৰ্থক্য লিখা।

(খ) বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ এটি পৰিচয় দাঙি ধৰা।

(গ) ভাষাবিজ্ঞানৰ চৰ্চালৈ ফাৰ্ডিনাণ্ড দ্য ছ্যচুৰৰ অৱদানৰ বিষয়ে চমুকৈ লিখা।

(ঘ) বিৰোধমূলক বা ভেদাত্মক ভাষাবিজ্ঞানৰ বিষয়ে এটি টোকা লিখা।

(ঙ) তুলনামূলক ভাষাতত্ত্বৰ পৰিচয় দাঙি ধৰা।

(চ) ব্যাকৰণ চৰ্চাৰ ক্ষেত্ৰত প্ৰাচীন ভাৰতৰ অৱদানৰ বিষয়ে লিখা।

(ছ) মনোভাষাবিজ্ঞানৰ পৰিচয় দিয়া।

(জ) ৰূপতত্ত্ব কাক বোলে, বুজাই লিখা।

BIKALI COLLEGE LIBRARY



৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ধ্বনিবিজ্ঞান, বৰ্ণবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ সংজ্ঞা দি কেউটাৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

(খ) পৰিবেশ, বৃত্তি আৰু ব্যক্তিভেদে ভাষাৰ ব্যৱহাৰত ভিন্নতা সৃষ্টি হ'ব পাৰেনে? অসমীয়া ভাষাৰ উদাহৰণ দি বুজাই লিখা।

(গ) ব্যাকৰণৰ গ্ৰীক ধাৰাৰ বিষয়ে লিখা।

(ঘ) ধ্বনিবিজ্ঞানৰ ভাগকেইটা উল্লেখ কৰি প্ৰতিটো ভাগৰ চমু পৰিচয় দিয়া।

(ঙ) ব্যাকৰণ চৰ্চাত পাণিনিৰ অৱদান আৰু গুৰুত্বৰ বিষয়ে লিখা।

(চ) ব্যাকৰণ আৰু ভাষাবিজ্ঞানৰ মাজত তুলনা দাঙি ধৰা।

(ছ) উপভাষাবিজ্ঞানৰ সংজ্ঞা দি ইয়াৰ আলোচ্য বিষয়সমূহৰ আভাস দাঙি ধৰা।

(জ) তলত দিয়াকেইটাৰ সংজ্ঞা লিখি উদাহৰণ দিয়া :

অনুক্ৰম বৰ্ণ; উপাহিত বৰ্ণ; অক্ষৰ; মুক্তৰূপ আৰু বদ্ধৰূপ।

(ঝ) শব্দৰ অৰ্থ পৰিৱৰ্তনৰ ধাৰাসমূহৰ বিষয়ে লিখা।

(ঞ) মান্যভাষা আৰু উপভাষাৰ সম্পৰ্কৰ বিষয়ে অসমীয়া ভাষাৰ উদাহৰণেৰে বুজাই লিখা।

★★★